**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-06-2025 **Time :** 07-55Hrs.

# <u>Assamese Morning Bulletin</u>

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লক্ষ্যৰে আজি শিৱসাগৰলৈ যাব। তেওঁ পোনে পোনে শিৱসাগৰ নগৰৰ ঐতিহাসিক ৰংঘৰত উপস্থিত হৈ ৰংঘৰৰ প্ৰস্তাৱিত অত্যাধুনিক প্ৰকল্পৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে কৃত্ৰিম বানৰ উৎপত্তি আৰু সমাধান সন্দৰ্ভতো পৰ্যবেক্ষণ কৰিব। ইয়াৰ পাছত তেওঁ অ' এন জি চিৰ তৈলখাদৰ বিস্ফোৰণ সংঘটিত হোৱা ভটিয়াপাৰলৈ ৰাওনা হ'ব। তেওঁ ভটিয়াপাৰৰ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আলোচনাত মিলিত হৈ অভাৱ-অভিযোগৰ বুজ ল'ব। ইয়াৰ পাছত তেওঁ হাৰমতিগড় আৰু গৌৰীসাগৰৰ চাৰিলেনযুক্ত পথ সংযোগী নৱনিৰ্মিত দলঙৰ বাবে প্ৰয়োজনীয় পথৰ সমস্যাৰ বুজ ল'ব। তেওঁ ২ কিলোমিটাৰ নিলগৰ শ্ৰীপুৰীয়া ঘাটৰ দিখৌ নদীৰ ঘাটত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰিব। ইয়াৰ পাছত তেওঁ ডিব্ৰুগড় জিলাৰ মৰাণত নিৰ্মাণ হৈ থকা বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা পৰিদৰ্শন কৰিবলৈ ৰাওনা হ'ব। উল্লেখযোগ্য যে মৰাণৰ জাতীয়নী গাঁৱত প্ৰায় ১৫০ কোটি টকা ব্যয় সাপেক্ষ জৰুৰীকালীন অৱতৰণ সুবিধা চমুকৈ ই এল এফ নিৰ্মাণ কৰি থকা হৈছে। যুদ্ধবিমান ৰাফেল, মিগ, তেজশ আদিকে ধৰি সামৰিক বিমান অৱতৰণ আৰু উৰণৰ আৰ্হিৰে এই ই এল এফ নিৰ্মাণ কৰা হৈছে। জৰুৰীকালীন সময়ৰ বাদে এই পথটো সাধাৰণ বাহন চলাচলৰ বাবে নিয়মীয়া ঘাইপথ হিচাপে ব্যৱহাৰ কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলত দেশৰ জৰুৰীকালীন সময়ত প্ৰতিৰক্ষা বৃদ্ধিৰ ক্ষেত্ৰত এই ই এল এফে আত্মনিৰ্ভৰশীল ভাৰতৰ লগতে শক্তি বৃদ্ধিত অভূতপূৰ্ব অৰিহনা যোগাব বুলি আশা কৰা হৈছে।

০০০০০০০

ডিমা হাছাও জিলাৰ পাহাৰীয়া পথছোৱাত কাইলৈৰ পৰা পুনৰ ৰে'ল চলিব। ভূমিস্খলনৰ বাবে একেৰাহে কিছুদিন ধৰি বন্ধ হৈ থকা লামডিং-বদৰপুৰ সংযোগী পথত ৰে'ল চলাচল আৰম্ভ কৰাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি ৰে'ল বিভাগে জানিবলৈ দিছে। উল্লেখযোগ্য জিলাখনৰ নিউ হাফলং আৰু জাতিংগা-লামপুৰৰ মাজত হোৱা ভূমিস্খলনৰ বাবে এইপথছোৱাত ৰে'ল চলাচল বন্ধ আছে। ৰে'ল বিভাগে ভূমিস্খলনৰ ফলত জমা হোৱা মাটি আঁতৰোৱাৰ পাছতে যাত্ৰীবাহী ৰে'ল চলাচল আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

বিত্ত মন্ত্ৰী অজন্তা নেওগে অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণৰ ৰূপায়ণ সন্দৰ্ভত কালি গোলাঘাট জিলাত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত আৰু মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা শীৰ্ষক আঁচনিৰ সফল ৰূপায়ণ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। মন্ত্ৰী নেওগে এই কল্যাণকামী আঁচনিসমূহৰ উপযুক্ত আৰু সঠিক হিতাধিকাৰী নিশ্চিতকৰণ সন্দৰ্ভত দায়িত্বশীলভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০০

মন্ত্ৰী পীযূষ হাজৰিকাই শোণিতপুৰ জিলাৰ দপৰ্বতীয়া বৰাচুবুৰীত কালি ব্ৰহ্মপুত্ৰৰ বান খহনীয়াৰ বুজ লয়। বান আৰু খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে আলোচনাত মিলিত হৈ তেওঁ বাৰিষাৰ পাছতে খহনীয়াৰ স্থায়ী সমাধান কৰা হ'ব বুলি আশ্বাস দিয়ে। বান খহনীয়াৰ বুজ লোৱাৰ পূৰ্বে তেওঁ তেজপুৰত জিলা আয়ুক্তৰ কাৰ্যালয়ত জনকল্যাণমূলক আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনিসমূহৰ ১০০ শতাংশ ফলপ্ৰসূ ৰূপায়ণ সুনিশ্চিত কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০০

৪২ সংখ্যক যোৰহাট জিলা দিৱস দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। জিলাখনৰ সাংস্কৃতিক ঐতিহ্য আৰু কৃতিত্বক উজ্বল কৰি তোলাৰ লক্ষ্যৰে ২৪ জুনৰ পৰা যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু সকলো চৰকাৰী বিভাগৰ সহযোগত বিভিন্ন কাৰ্যসূচী অব্যাহত আছে। এই দিৱসৰ লগত সংগতি ৰাখি কাইলৈ আৰু পৰহিলৈ জিলাখনৰ অন্তৰ্গত প্ৰতিখন গাঁও পঞ্চায়তত বিশেষ গাঁও সভা অনুষ্ঠিত হ'ব। সভাসমূহত স্থানীয় জনসাধাৰণৰ মাজত বিভাগীয় আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে কেইবাটাও শিবিৰ অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন চৰকাৰী পদক্ষেপ আৰু সুবিধাসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰা হ'ব। ইপিনে, জিলাখনৰ বিভিন্ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ বিষয়ে ৰাইজৰ অভিযোগ থাকিলে গাঁওসভাৰ জৰিয়তে এই অভিযোগসমূহ নিষ্পত্তিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰতিখন গাঁও পঞ্চায়তৰ গাঁও সভাত সকলো বিভাগৰ প্ৰতিনিধিক উপস্থিত থাকিবলৈ জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

০০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ'ত থকা টিকা চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়ত কালি জিলা শিশু সুৰক্ষা বিভাগৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা শিশু সুৰক্ষা বিভাগৰ সমন্বয়কে আঁত ধৰা অনুষ্ঠানটিত বাল্য বিবাহ, শিশু শ্ৰমিক, নিৰুদ্দেশ হোৱা শিশুৰ উদ্ধাৰ আৰু নিচা জাতীয় দ্ৰব্য সেৱনৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। সভাত বৈঠালাংছ' আৰক্ষী, বিভিন্ন বে-চৰকাৰী সংস্থাৰ লগতে ৱানষ্টপ চেণ্টাৰৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব।

০০০০০০০

**সমাপ্ত**